# উত্তৰ ঔপনিৱেশিক প্ৰেক্ষাপটত আৰাধনা পটংগীয়া গোস্বামীৰ *দুৰ্গী* উপন্যাসৰ উপনিৱেশিত নাৰীৰ শোষণ আৰু বৰ্ণবৈষম্য

**উৎপল মেচ**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, মৰিগাঁও মহাবিদ্যালয়, মৰিগাঁও
e-mail : mechutpal01@gmail.com

**সাৰাংশ ঃ**
*উত্তৰ ঔপনিৱেশিকতাবাদ হ'ল ঔপনিৱেশিকতাবাদ বিৰোধী এক সংগ্ৰাম, যাৰ চৰিত্ৰ মূলতঃ প্ৰতিবাদী আৰু বিনিৰ্মাণপন্থী। আপাত দৃষ্টিত ঔপনিৱেশিক শাসনৰ অন্ত পৰাৰ পিছৰ পৰ্যায়টোক ই সূচায়; কিন্তু অনেক সমালোচকে পদটো কালবাচক বুলি কোৱাৰ বিপৰীতে চেতনাবাচক বুলি মন্তব্য কৰি উপনিৱেশীকৃত মুহূৰ্তৰপৰা সাম্ৰাজ্যবাদী প্ৰভাৱপুষ্ট সাংস্কৃতিক প্ৰভাৱক বুজাবলৈহে অভিধাটোৰ ব্যৱহাৰ কৰিছে। এনে দৃষ্টিভংগীৰে অসমৰ ঔপনিৱেশিক ইতিহাসৰ চৰ্চিত নোহোৱা বিষয়বস্তুক লৈ ৰচনা কৰা এখন উপন্যাস হ'ল আৰাধনা পটংগীয়া গোস্বামীৰ* ***দুৰ্গী***। *অসমৰ মহিলা শ্বহীদ দুৰ্গী ভূমিজৰ জীৱনভিত্তিক এই উপন্যাসত ঔপন্যাসিকে ঔপনিৱেশিকতাবাদৰ নীতি, অসমত ইয়াৰ প্ৰভাৱ, ইয়াৰ বিৰুদ্ধে অসমীয়া সমাজ আৰু দুৰ্গী ভূমিজৰ অৱদানক সামৰি লৈছে। প্ৰস্তাৱিত আলোচনা-পত্ৰত এই দিশবোৰৰ উপৰি ঐতিহাসিক তথ্যৰ ওপৰত আধাৰিত উপন্যাসত ঔপনিৱেশিক উদ্যোগক্ষেত্ৰত মহিলাৰ সামাজিক স্থিতি কি ধৰণৰ সেই সম্পৰ্কে অধ্যয়ন কৰিবলৈ চেষ্টা কৰা হৈছে। উপন্যাসখনৰ মূল চৰিত্ৰ দুৰ্গী ভূমিজৰ লগত জড়িত ঔপনিৱেশকালীন সামাজিক প্ৰসংগবোৰৰ মূল্যায়ন এই আলোচনা-পত্ৰৰ অন্যতম উদ্দেশ্য।*

**সূচক শব্দ ঃ** *উপনিৱেশক (Coloniser), উপনিৱেশিত (Colonised), নাৰী, বৰ্ণবৈষম্য, যৌন বাসনা (Sexual Desire)।*

## ০.০ অৱতৰণিকা ঃ

সাম্প্ৰতিক কালত সমাজ বিজ্ঞানৰ ক্ষেত্ৰখনত নাৰীবাদ আৰু লিংগ অধ্যয়নৰ প্ৰসংগই বিশেষ মাত্ৰা লাভ কৰা দেখা গৈছে। ভাৰতীয় ঔপনিৱেশিক ইতিহাস অধ্যয়নৰ ক্ষেত্ৰখনত স্বাধীনতা আন্দোলনত মহিলাৰ অংশগ্ৰহণ, গান্ধীবাদী আদৰ্শ আৰু নীতিৰ প্ৰচাৰ, তৃতীয় বিশ্বৰ নতুন নাৰী, সামাজিক সংস্কাৰত নাৰীৰ ভূমিকা আদি বিষয়ক চিন্তা-চৰ্চাই গুৰুত্ব লাভ কৰিছে। সমান্তৰালকৈ ঔপনিৱেশিক কালৰেপৰা মহিলাৰ ওপৰত হোৱা অন্যায়, অবিচাৰ আৰু মহিলাৰ দ্বি-ঔপনিৱেশিকৰণৰ বিবিধ প্ৰসংগই নতুন চিন্তাৰ বাট মুকলি কৰিছে; কিন্তু ভাৰতীয় মহিলাৰ ওপৰত হোৱা উপনিৱেশকৰ যৌন শোষণ সম্পৰ্কে ইতিহাসবিদসকল নিমাত বুলি ক'ব পাৰি। পৰম্পৰাগত তথা ঔপনিৱেশিক ইতিহাসবিদসকলে এই দিশটো আওকাণ কৰাৰ লগতে মাৰ্ক্সীয় ইতিহাসবিদসকলেও ইয়াৰ গভীৰতাত প্ৰৱেশ কৰাৰ প্ৰয়াস কৰা নাই। অৱশ্যে এনেধৰণৰ দিশবোৰক সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰাৰ ক্ষেত্ৰত উত্তৰ-ঔপনিৱেশিকতাবাদী সমালোচকসকল আগ্ৰহী। সকলো উপনিৱেশতে যেতিয়া উপনিৱেশকে এক দৃঢ় স্থিতি গ্ৰহণ কৰে, দেশীয় লোকসকল (Native)-এ এক প্ৰতিবাদী মনোবৃত্তিৰে ঔপনিৱেশিক আধিপত্য, শাসন আৰু শোষণৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। উপনিৱেশিতৰ অসাম্য আৰু অনৈতিকতা,শোষণ-শাসনৰ প্ৰতিবাদত গঢ় লৈ উঠা প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰতিৰোধৰ লগতে উপনিৱেশিতৰ পৰিচয় উদ্ধাৰৰ সংগ্ৰামক বুজাবলৈ উত্তৰ-ঔপনিৱেশিকতাবাদ অভিধাটোৰ প্ৰয়োগ কৰা হয়। আলোচনাৰ

বাবে গ্ৰহণ কৰা আৰাধনা পটংগীয়া গোস্বামীৰ উপন্যাস *দুৰ্গী*ত ঔপনিৱেশকালীন সমাজ ব্যৱস্থাৰ এই আটাইবোৰ দিশৰ প্ৰতিফলন হৈছে। ব্ৰিটিছ বিৰোধী আদিবাসী শ্বহীদ দুৰ্গী ভূমিজৰ জীৱন আধাৰিত এই উপন্যাসত ঔপন্যাসিকে বিষয়বস্তুৰ উপস্থাপনৰ ক্ষেত্ৰত ঐতিহাসিক ঘটনাবোৰৰ হুবহু উপস্থাপন কৰিবলৈ চেষ্টা কৰিছে। দুৰ্গী ভূমিজ আটাৰীখাট চাহ বাগিচাৰ এগৰাকী শ্ৰমিক আছিল। বাগিচাৰ পাত তোলা আৰু কলঘৰত কাম কৰা দুৰ্গীৰ সৌন্দৰ্য দেখিয়েই বাগিচাৰ বৰ চাহাব ফ্ৰেজাৰে বৰ বাংলাত ৰক্ষিতা কৰি ৰাখিছিল। চাহাবৰ লগত থাকি জীৱনত পোৱা প্ৰতাৰণা, বঞ্চনাৰ প্ৰতিবাদস্বৰূপে অসমৰ স্বাধীনতা আন্দোলনত ভাগ লৈ দুৰ্গী ভূমিজে মৃত্যুবৰণ কৰে।[১]

**০.১ অধ্যয়নৰ পৰিসৰ ঃ**

আৰাধনা পটংগীয়া গোস্বামী ৰচিত *দুৰ্গী* উপন্যাসত ঔপনিৱেশিক কালৰ ইতিহাস সামৰি লোৱা দেখা গৈছে। উপন্যাসত অসমীয়া সমাজ জীৱনত ঔপনিৱেশিকতাবাদৰ প্ৰভাৱ আৰু উপনিৱেশিতৰ প্ৰতি-ঔপনিৱেশিক চেতনাৰ বিভিন্ন দিশ প্ৰতিফলিত হৈছে। এই আলোচনা-পত্ৰত কেৱল উপন্যাসখনৰ আধাৰত অসমৰ স্বাধীনতা আন্দোলনৰ দুগৰাকী শ্বহীদ মাংৰী ওৰাং আৰু দুৰ্গী ভূমিজ চৰিত্ৰ দুটাৰ জীৱনৰ লগত জড়িত প্ৰসংগকহে অধ্যয়নৰ বাবে নিৰ্বাচন কৰা হৈছে।

**০.২ অধ্যয়নৰ পদ্ধতি ঃ**

গৱেষণা কৰ্মটিত তুলনামূলক সাহিত্যতত্ত্বৰ অন্তৰ্গত সম্বন্ধমূলক দ্বন্দ্বাত্মক পদ্ধতি আৰু সাহিত্যৰ সমাজতত্ত্বৰ আধাৰত সম্বন্ধমূলক দ্বন্দ্বাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে। সম্বন্ধমূলক দ্বন্দ্বাত্মক পদ্ধতিৰ জৰিয়তে সাহিত্যৰ সৈতে সমাজ আৰু সাহিত্যভিন্ন বিষয়বোৰৰ মাজৰ সম্পৰ্ক বিচাৰ কৰা হয়। সমাজ-বিশ্লেষণ পদ্ধতিৰ সহায়ত সমাজৰ ব্যক্তি বা সমূহৰ মনোজগত, বিভিন্ন ব্যক্তি বা গোটবোৰৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক, চিন্তা-ধাৰা তথা আচৰণৰ বিচাৰৰদ্বাৰা সামাজিক স্বাস্থ্যৰ পৰীক্ষাৰে সামাজিক ব্যাধিসমূহ চিনাক্ত কৰা হয়।

**১.০ মূল আলোচনা ঃ**

**১.১ ঔপনিৱেশিক প্ৰেক্ষাপটত শোষিত নাৰী ঃ**

ঔপনিৱেশিক প্ৰব্ৰজন উপনিৱেশকৰ আৰ্থ-সামাজিক লুণ্ঠনৰ এক পৰিণতি আছিল। প্ৰব্ৰজনৰ উত্তেজক (Push)আৰু আকৰ্ষক (Pull) কাৰক (factor)-এ অসমলৈ আদিবাসী শ্ৰমিকসকলক লৈ অনাৰ ক্ষেত্ৰত অনুঘটক (Catalyst)-ৰ ভূমিকা পালন কৰিছিল। অমলেন্দু গুহই আদিবাসী শ্ৰমিকসকলক আমদানি কৰি অনাৰ প্ৰক্ৰিয়াক অমানৱীয় হিচাপে আখ্যা দি উল্লেখ কৰিছে যে নানা ধৰণেৰে প্ৰলোভন দেখুৱাই, ফুচুলাই আৰু আনকি জোৰ-জবৰদস্তিৰে অপহৰণ কৰিও পুৰুষ, নাৰী আৰু শিশুবোৰক অসমৰ চাহ বাগিচাত কাম কৰিবৰ বাবে ধৰি আনি গৰু-ছাগলীৰ দৰে বেচা-কিনা কৰা হৈছিল।[২]

তেনেদৰেই অসমলৈ দুৰ্গী ভূমিজৰ আগমন ঘটিছিল। উপন্যাসত উল্লেখ থকা অনুসৰি ছোটনাগপুৰত তাইৰ জন্ম। জন্মভূমিত থকাৰেপৰা দুৰ্গীৰ দৰে কিশোৰীৰ ওপৰত শোষণ চলিছে। মাকৰ মৃত্যুৰ পিছত অত্যাচাৰী সতীয়া মাকে পুষ্পিতা হোৱাৰ আগেয়েই দুৰ্গীক দেউতাকৰ বয়সৰ ধনী লোক এজনলৈ বিয়া দিবলৈ চক্ৰান্ত কৰে। তেওঁলোকৰ দৰে আন আদিবাসী পৰিয়ালৰ মাজতো উদ্ভৱ হোৱা আৰ্থিক-অনাটনৰ পৰিণতিত ঘৰুৱা হিংসা সততে লক্ষ্য কৰিব পাৰি। ইয়াৰ কাৰক হিচাপে ঔপন্যাসিকে ঔপনিৱেশিক লুণ্ঠনক চিহ্নিত কৰিছে—

“বোপা-ককাৰ দিনৰে পৰা পাই অহা মাটিৰ বিশেষকৈ অৰণ্যৰ অধিকাৰ আদিবাসীসকলৰ পৰা কাঢ়ি লোৱা হৈছিল। তেওঁলোকৰ থকা ঘৰ ভেটি, সামান্য খেতিৰ মাটি, আনকি আবা-ভগৱানে দিয়া অৰণ্যখনৰ ওপৰতো বৃটিছে জাপি দিছিল অত্যধিক কৰ। চৰকাৰৰ টেকেলাক কৰ দিব নোৱাৰি বেছি ভাগেই ঘৰ-মাটি, পোহনীয়া গৰু-ছাগলী এৰি পলায়ন কৰিছিল। সেই সময়ত চাহ কোম্পানীৰ আড়কাঠীয়াই সেই অঞ্চলবোৰত পিত্‌পিতাই ঘূৰি ফুৰিছিল। অসমত নভঙা মাটিত মানুহ বহুৱাই ৰাজহ সংগ্ৰহৰ স্বাৰ্থত চৰকাৰেও শ্ৰমিক চালানত সহযোগ কৰিছিল। ” (*দুৰ্গী*, পৃ. ২)

আৰ্থিক অভাৱ-অনাটনৰপৰা ৰক্ষা পাবলৈ উপন্যাসৰ চৰিত্ৰ দুৰ্গীয়ে মাহীমাকৰ লগত ছোটনাগপুৰৰপৰা আহি অসমৰ আটাৰিখাত বাগান পালেহি। উপনিৱেশ শাসকেই যে নাৰীৰ ওপৰত অত্যাচাৰ কৰিছিল তেনে নহয়, প্ৰান্তীয় সমাজৰ নাৰীসকল ভাৰতীয় পুৰুষতন্ত্ৰৰ নিৰ্যাতনৰো বলি হৈছিল। গায়ত্ৰী চক্ৰৱৰ্তী স্পিভাকে নিম্নবৰ্গৰ সমাজ ইতিহাস অধ্যয়নক কেন্দ্ৰীয় বিষয় হিচাপে লৈ নিম্নবৰ্গৰ মাজতো স্ত্ৰী নিম্নবৰ্গৰ অধ্যয়ন কৰি তৃতীয় বিশ্বৰ নাৰীকণ্ঠৰ কথা কৈছে, যি কণ্ঠস্বৰ শুনিবলৈ দিয়া নহয় বা শুনিব পৰা নাযায়।[৩] উপনিৱেশক আৰু পুৰুষতন্ত্ৰই নাৰীৰ যি কণ্ঠ ৰোধ কৰিছিল, সেই অৰ্থত মহিলাসকল দুটা স্তৰত বা দুবাৰকৈ উপনিৱেশিত (Double Colonised)।

উপন্যাসখনতো লক্ষ্য কৰা যায় যে অসমলৈ অহাৰ পিছতো মূল চৰিত্ৰ দুৰ্গীৰ ওপৰত মাহীমাকৰ অত্যাচাৰ ইমানতো শেষ হোৱা নাছিল। মাহীমাকৰ গৰ্ভাৱস্থা আৰু প্ৰসৱৰ পিছত দুৰ্গীয়ে ঘৰৰ সমস্ত কাম অকলে কৰা আৰু মাক-ভনীয়েকক পৰিচৰ্যা কৰাত ব্যস্ত হৈ থাকিবলগীয়া হয়। স্বামীৰ মৃত্যুৰ পিছত অকলশৰীয়া দুৰ্গী লাইনত থকাৰ সময়ত বাগানৰ ডেকা শ্ৰমিকসকলৰপৰাও আতিশয্যৰ সন্মুখীন হয়। সিহঁতে তাইৰ ঘৰৰ দুৱাৰত ৰাতি চেৰাপ খাই আহি ঢকিয়াই দুৱাৰ খুলিবলৈ কয়। এনে উপস্থাপনে ঔপনিৱেশিক দমনৰ সমান্তৰালকৈ পুৰুষশাষিত সমাজৰ দ্বাৰা নাৰীক দমন কৰাটোক সূচায়। এইক্ষেত্ৰত নাৰীৰ অধিকাৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত পুৰুষতন্ত্ৰ আৰু ঔপনিৱেশিক শক্তি দুয়োটাই অনুৰূপে কাম কৰা দেখা গৈছে।

**১.২ উপনিৰেশকৰ যৌন বাসনা (Sexual Desire) আৰু বৰ্ণ বৈষম্য ঃ**

উপনিৱেশবোৰত কিদৰে মহিলাক যৌনসম্ভোগৰ আহিলা হিচাপে ব্যৱহাৰ কৰা হয় আৰু এনে মহিলাই কিদৰে বিভিন্ন মনোঘাত (Trauma)ৰ চিকাৰ হৈ মানসিকভাৱে ভাগি পৰে বা মৃত্যুবৰণ কৰে এই বিষয়ে নিৰ্মোহ ঐতিহাসিক বিশ্লেষণ ইতিহাস-চৰ্চাৰ ধাৰাত অধিক পৰিলক্ষিত নহয়। কেৱল ঔদ্যোগিক, সামৰিক বা প্ৰশাসনিক ক্ষেত্ৰতেই নহয়, যুৱতী-বিবাহিত মহিলা, বিধৱাৰ ব্যক্তিগত যৌন জীৱনতো উপনিৱেশকৰ অত্যাচাৰ আৰু বৰ্বৰতাৰ আঁচোৰ পৰিছিল। অসমৰ চাহ বাগিচাৰ বিদেশী উচ্চবৰ্গীয় পৰিচালক, সহকাৰী পৰিচালক আদিয়ে বাগিচাৰ চাহ জনগোষ্ঠীয় সুন্দৰী গাভৰু নিৰ্বাচন কৰি নিজৰ লগত ৰক্ষিতা হিচাপে ৰাখিছিল আৰু বিলাতলৈ গুচি যোৱাৰ আগতে বস্তিত থাকিবলৈ তেওঁলোকৰ বাবে ঘৰ-মাটি কৰি দিছিল। চাহাবৰ তেনে মেমৰ পৰিয়াল অসমত বহুতো আছে।[৪] যোৰহাটৰ চিনামৰা হাতীগড় চাহ বাগিচাত মিনি মেম নামৰ এগৰাকী ৰক্ষিতা আছিল। তিনিটা সন্তান জন্ম দিয়াৰ পাছত চাহাবে সন্তানকেইটাক বুকুৰ গাখীৰ খাবলৈতো নিদিলেই, আনকি মুখখনো চাবলৈ নিদিলে।[৫] অমিয় কুমাৰ দাসে শোণিতপুৰ জিলাৰ ৰঙাপাৰাৰ কছাৰীগাঁও চাহবাগিচাৰ চাহাবে এগৰাকী মহিলা শ্ৰমিকক বাকচ এটাত থিয় কৰাই কাপোৰ খুলি যৌন আতিশয্য চলোৱাৰ বিষয়েও তেওঁৰ স্মৃতিকথাত লিখিছে।[৬]

উপন্যাসৰ চৰিত্ৰ দুৰ্গীক কলঘৰৰ ভিতৰত কাম কৰিবলৈ দায়িত্ব দিয়া হয়। দুৰ্গীৰ দেউতাকে অনুভৱ কৰে যে উঠন বয়সৰ এগৰাকী ছোৱালীক ঘৰত থৈ দিয়াটো আশংকাৰ কথা। কিয়নো তাই যিকোনো সময়তে বাগানৰ উচ্চ বৰ্গৰ কৰ্মচাৰী আৰু বিষয়াৰ যৌনলিপ্সাৰ বলি হ'ব পাৰে। প্ৰথমবাৰৰ বাবে দুৰ্গীক দেখিয়েই চাহাবৰ মনত যৌনলিপ্সাৰ উদ্ভৱ হৈছে। তেওঁৰ বিকৃত কামনাৰ বিষয়ে ঔপন্যাসিকে লিখিছে এনেদৰে—

"ফ্ৰেজাৰ চাহাবে কোনোমতেই দুৰ্গীৰপৰা চকুৰ আঁতৰাই নিব নোৱাৰিলে। দুৰ্গীক তেওঁৰ জাল ফালি পলাই যোৱা এজনী হৰিণীৰ দৰে লাগিল। আজলী হৰিণীজনীলৈ তেওঁৰ কিবা এটা যেন মায়া জাগিল।" (*দুৰ্গী*, পৃ. ১৩)

এই সাক্ষাতৰ পিছতে দুৰ্গীক চাহাবে বাংলাৰ কামত নিয়োজিত কৰিলে। বাংলাটো সজাই পৰাই তোলাটোৱেই তাইৰ কাম। প্ৰথম অৱস্থাত তাই দিনটো কাম-বন কৰাৰ পাছত আবেলি লাইনলৈ উভতি আহিব লাগে। এই সময়ছোৱাৰ ভিতৰতে চাহাবসকলে কেতিয়াবা চকুৰে ভাষাৰে দুৰ্গীক অসভ্যালি কৰে। ফ্ৰেজাৰ চাহাবৰ বাংলাত ৰাতিৰ আহাৰ গ্ৰহণ কৰিবলৈ অহা হেনৰি আৰু কিলবাৰ্নৰ কৌতুকপূৰ্ণ চাৱনিৰপৰা দুৰ্গী সাৰি যাব পৰা নাই—

"তেওঁলোকৰ লুতুৰা চকুৰে তাইৰ নিপোটল বুকু আৰু তপিনাত বাৰে বাৰে আঘাত কৰা দুৰ্গীয়ে অনুভৱ কৰিছিল। দুৰ্গীৰ অস্বস্তি লাগিছিল আৰু তেওঁলোকৰ নিৰ্লজ দৃষ্টি তাইৰ বাবে দুঃসহ হৈ উঠিছিল। এবাৰ হেনৰীয়ে কৈয়েই পেলালে যে জে'মছ্ ফ্ৰেজাৰে ছুটী দিলে দুদিনৰ বাবে দুৰ্গীক তেৰোঁ নিজৰ বাংলালৈ লৈ যাব খোজে, যাতে দুৰ্গীৰ মৰমী হাতৰ পৰশ লাগি তেওঁৰ নিষ্প্ৰাণ ঘৰেও হাঁহি উঠে।" (*দুৰ্গী*, পৃ. ১৬)

স্বামীৰ মৃত্যুৰ পাছত অকলশৰীয়া দুৰ্গী ফ্ৰেজাৰ চাহাবৰ সৈতে নিগাজিকৈ থাকিবলৈ বাধ্য হৈছে। এনেকৈ ৰক্ষিতা হিচাপে একেলগে থকাৰ পিছতো ফ্ৰেজাৰৰ বাবে দুৰ্গীক জীৱনসংগী কৰাটো সম্ভৱ হৈ উঠা নাই, কিয়নো তেওঁ অৱগত যে এনে পদক্ষেপ ল'লে সমগ্ৰ ইউৰোপীয় সমাজখনেই ইয়াৰ প্ৰতিবাদ কৰিব—

" তেওঁলোকৰ মতে কুলী ছোৱালীৰ লগত ধেমালি-ধুমুলা কৰিব পাৰি , জোৰ-জবৰদস্তি কৰাৰো অনেক উদাহৰণ আছে। তাৰ বাবদ সিহঁতক টকা-পইছা দিয়া বা অন্য প্ৰকাৰে সহায় কৰাটো আপত্তি নাই , খুব বেছি কিছু দিনৰ বাবে ৰক্ষিতা কৰি ৰাখিব পৰা যায়; কিন্তু বিবাহৰ দৰে এটা স্থায়ী মৰ্যাদাসম্পন্ন সম্বন্ধ স্থাপনহে এয়া কেতিয়াও গ্ৰহণযোগ্য নহয়। "

(*দুৰ্গী*, পৃ. ৩৫)

দুৰ্বা ঘোষে দেখুৱাইছে যে উল্লেখযোগ্য যে ইউৰোপীয়সকলে দেশীয় (Native) নাৰীৰ সৈতে থকা সম্পৰ্কটোক লোকচক্ষুৰপৰা আঁতৰাই ৰাখিছিল আৰু কেতিয়াবা ইচ্ছাপত্ৰতহে এই নাৰীসকলৰ বিষয়ে উল্লেখ কৰিছিল।[৭] আনহাতে বিবাহৰ প্ৰসংগত দুয়োৰে ক্ষেত্ৰত নিজৰ জন্মগত সমাজখনৰ সমৰ্থন অপৰিহাৰ্য। দুটা ব্যক্তিগত সম্পৰ্কৰ আলমত বিবাহৰ জৰিয়তে দুখন পৃথক সমাজৰ মাজত সম্বন্ধ স্থাপন হয়; কিন্তু উপনিৱেশবোৰত ইউৰোপীয়সকলৰ নৃতাত্ত্বিক বিভাজনৰ মূল আধাৰ হ'ল জাতিতত্ত্ব (Race theory)। জাতিতত্ত্বৰ আধাৰত শ্বেতাংগ-কৃষ্ণাংগ বা প্ৰাচ্য-পাশ্চাত্যৰ দ্বন্দ্বৰ সহায়ত ঔপনিৱেশিক স্বাৰ্থ নিয়ন্ত্ৰণ কৰা হয়।[৮] দুখন ভিন্ন সমাজ আৰু সংস্কৃতিক প্ৰতিনিধিত্ব কৰা ফ্ৰেজাৰ চাহাব আৰু দুৰ্গীৰ মাজত বিবাহ সম্ভৱ হোৱা নাই। সেয়ে দুৰ্গীয়ে কয়—

"শাদী-বিহাৰ মতলবতো বহুত লম্বা চৌড়া আছে চাহাব। ... শাদী স্ৰিফ্ দুজনকে বিচ্‌মে নহয় চাহেব।"

(*দুৰ্গী*, পৃ. ৩৯)

ইয়াৰ পাছত আনুষ্ঠানিক বিবাহ সম্পন্ন নহ'লেও দুৰ্গী ৰক্ষিতা হিচাপে ফ্ৰেজাৰ চাহাবৰ লগত থাকিবলৈ ল'লে। দুৰ্গী ভূমিজক দুৰ্গী মেমৰূপে জনা গ'ল। বাংলাত দুৰ্গীক ৰখাৰেপৰা ব্ৰিটিছ বন্ধুকেইজনৰ সৈতে ফ্ৰেজাৰৰ ঘনিষ্ঠতা নোহোৱা হ'ল। হেনৰীৰদ্বাৰা তেওঁ তাচ্ছিল্যৰ সন্মুখীন হয়—

"মই আচৰিত হওঁ জে'মছ্ তুমি সেই নেটিভ নিগাৰজনীক কিদৰে বাৰু বাংলোত ইমান সন্মান দি ৰাখিব পাৰিছা?" (*দুৰ্গী*, পৃ. ৬৯)

ইউৰোপীয় উপনিৱেশকৰ যৌন বাসনা (Sexual Desire) পূৰ্ণ কৰাৰ পিছতো ভাৰতীয় নাৰীসকলে বৰ্ণ বৈষম্যৰপৰা ৰেহাই পোৱা নাছিল। প্ৰায়ক্ষেত্ৰতেই দেখা যায় যে এই সম্পৰ্কৰ ফলত জন্ম হোৱা সন্তানসকলক নিম্নবৰ্গীয় ভাৰতীয় সমাজ-সংস্কৃতিৰপৰা বিচ্ছিন্ন কৰি ইউৰোপীয় জীৱনশৈলী অনুসৰণ কৰিবলৈ শিকোৱা হৈছিল। প্ৰাচ্যৰ জনগণক সামাজিক আৰু সাংস্কৃতিকভাৱে পিছ পৰা বুলি ধৰি লৈ তেওঁলোকৰ জীৱন ধাৰণ প্ৰণালী, সভ্যতা-সংস্কৃতিক অধিক উন্নত আৰু সভ্য ৰূপত ধৰি লোৱাটো ইউৰোপীয়সকলৰ নিৰ্ধাৰিত নীতি। প্ৰথম বিশ্ব-তৃতীয় বিশ্ব, কেন্দ্ৰীয়-প্ৰান্তীয় আদি সাংস্কৃতিক ব্যৱধানৰ জৰিয়তে ইউৰোপীয়সকলক যুক্তিবাদী, সভ্য, আধুনিক বুলি স্বীকৃতি দিয়াৰ বিপৰীতে উপনিৱেশিতক আদিম, নাৰীসুলভ, শিশুসুলভ, বৰ্বৰ, অসভ্য, দাসৰূপে গণ্য কৰাৰ মানসিকতাক মান্যতা প্ৰদান কৰা হ'ল। ৰক্ষিতাৰ গৰ্ভত জন্মগ্ৰহণ কৰা এনে সন্তানক শিক্ষা দান কৰা কেতিয়াবা অহেতুক কাৰণত আঁতৰাই লৈ যোৱা হৈছিল আৰু মাতৃৰ সৈতে তেওঁলোকৰ দেখা-সাক্ষাৎ চিৰদিনৰ বাবে বন্ধ হৈছিল। অৱশ্যে ভাৰত উপমহাদেশত দেশীয় মহিলাই নিজৰ সন্তানকে আদি কৰি পৰিয়াল পোহ-পালনৰ ক্ষেত্ৰত ইউৰোপীয় সংগীৰ বিত্তীয় সহায়তা লাভ কৰিছিল।[৯] উপন্যাসত পোৱা যায় যে ফ্ৰেজাৰে তেওঁৰ দুই পুত্ৰ সন্তানক শ্বিলঙৰ ছেইন্ট এড্‌মাণ্ড আৰু ছেইন্ট এন্থনিজ স্কুলত নামভৰ্তিৰ বাবে খবৰ কৰিছে যদিও 'চাহাবৰ ল'ৰাৰ লগত থাকি সিহঁতে নিজৰ মাকক চিনি নোপোৱা হ'ব' বুলিয়েই দুৰ্গীয়ে এই প্ৰস্তাৱ নাকচ কৰিছে। মাংৰী মেম বা মালতী মেমৰ ত্যাগৰ বিষয়ে দুৰ্গীয়ে শুনিছে। মালতীৰ লগত হোৱা অভিজ্ঞতাৰ কাহিনীয়ে দুৰ্গীক এইক্ষেত্ৰত কোনোধৰণে উৎসাহ নিদিয়ে—

"তিনিটাকৈ পুত্ৰ সন্তান তাই জন্ম দিলে। 'চাহাবৰ ল'ৰা কুলি হ'ব নোৱাৰে' বুলি কৈ মিছনত ভাল শিক্ষা দিয়াৰ অজুহাত দেখুৱাই তিনিওটা ল'ৰাকে তাইৰ বুকুৰ পৰা যি কাঢ়ি লৈ গ'ল, এটাকো তাই আৰু এই জীৱনত ঘূৰাই নাপালে।"

(*দুৰ্গী*, পৃ. ৮৭)

অসমৰ স্বাধীনতা সংগ্ৰামৰ পটভূমিত মাংৰি মেমৰ ত্যাগে অসমৰ ইতিহাসবিদসকলৰ দৃষ্টি আকৰ্ষণ কৰিছে। মালতী নামৰ বাগিচাৰ শ্ৰমিকক চাহাবে মাংৰী মেম বুলি স্বীকৃতি দি নিজৰ লগত ৰাখিছিল। উচ্চাৰণৰ বাবে এনেদৰে দেশীয় নাৰীৰ নামবোৰ সলাই দিয়া হোৱা নাছিল, বৰং মূল পৰিচয়ৰপৰা বিচ্ছিন্ন কৰি তেওঁলোকৰ জনগোষ্ঠীগত পৰিচয় নোহোৱা কৰাটোৱেই ইউৰোপীয়সকলৰ উদ্দেশ্যে আছিল।[১০]

চাহাবৰ সন্তানক কুলী সমাজৰ আঁতৰাই মিছনত উচ্চ শিক্ষা দিয়াৰ অজুহাত দেখুৱাই মাংৰি মেমৰ চাহাবৰ ঔৰসজাত তিনিওটা ল'ৰাকে মাকৰ মৰমৰপৰা বঞ্চিত কৰা হ'ল আৰু পৰৱৰ্তী জীৱনত তেওঁ নিজ পুত্ৰকেইজনক কেতিয়াও লগ নাপালে। নিজৰ জন্মজাত সন্তানক পঠোৱা মিছনৰ ঠিকনা কেতিয়াও মাংৰীক দিয়া হোৱা নাছিল।[১১] সেইজন চাহাবে বাগান এৰি যোৱাৰ আগতে তাইক আন এজনৰ হাতত গতাই থৈ যায়। এইদৰে ক্ৰমাৎ তিনিজন চাহাবৰ ৰক্ষিতা হ'বলৈ বাধ্য হয়। জীৱনৰ সৰ্বস্ব হেৰুৱাই মনৰ দুখ নিবাৰণ কৰিবলৈ মাংৰীয়ে অনবৰতে অত্যধিক মদ্যপান কৰিবলৈ ধৰিলে। ব্যক্তিগত জীৱনত পোৱা

অপমান, লাঞ্ছনা, অন্যায় দেখি তেওঁৰ মনত ইংৰাজ জাতিটোৰ প্ৰতি ঘৃণা ভাব জাগি উঠিছিল। চাহাবৰ হাতত প্ৰতাৰিত আৰু সন্তানৰ মৰমৰপৰা বঞ্চিত হোৱাৰ পিছত মালতী মেমে গোলাপী মেমৰ লগত মদ খাই দিন অতিবাহিত কৰিছিল আৰু তাৰ মাজতে এদিন স্বাধীনতা আন্দোলনত জঁপিয়াই পৰি মৃত্যুবৰণ কৰে।[১২]

যৌন সম্পৰ্ক স্থাপন হোৱাৰ পাছত জন্ম হোৱা সন্তানৰ ভিতৰত গাৰ ৰং আৰু চেহেৰাৰ ফালৰপৰা ইউৰোপীয়সকলৰ লগত সাদৃশ্য থকা সন্তানবোৰ পিতৃৰপৰা অধিক মৰম আৰু অনুগ্ৰহৰ পাত্ৰ আছিল। দুৰ্গী ভূমিজৰ মেমৰ চেহেৰাৰ দৰে দেখিবলৈ ধুনীয়া দহ বছৰীয়া ছোৱালী বেবীক বিলাতলৈ চিৰদিনৰ বাবে কাঢ়ি-আঁজুৰি লৈ গৈছিল আৰু ইয়াৰ ফলস্বৰূপে সমগ্ৰ চাহাব জাতিটোৰ প্ৰতিয়েই দুৰ্গীৰ মনত হিংসা, ঘৃণা আৰু প্ৰতিশোধৰ জুই উমি উমি জ্বলিছিল।[১৩] উপন্যাসত আগবঢ়োৱা বৰ্ণনা অনুসৰি সমাজ জীৱনৰ অভিজ্ঞতাৰপৰা দুৰ্গীৰ মনত প্ৰশ্ন জাগিছে যে তেওঁৰ সন্তানক ফ্ৰেজাৰে কিদৰে গ্ৰহণ কৰিব, কিয়নো ফ্ৰেজাৰৰ বন্ধুমহলে তেওঁলোকৰ সম্বন্ধটোক লৈ টুলুঙা মন্তব্য কৰে। ফ্ৰেজাৰ আৰু দুৰ্গীৰ তিনিটাকৈ ল'ৰা-ছোৱালীৰ ভিতৰত গোলাপী গাল, নীলা চকু, সোণালী চুলিৰ জীয়েকজনীৰ প্ৰতি ফ্ৰেজাৰৰ গুৰুত্ব বেছি। তাইৰ নামকৰণো ইউৰোপীয় সংস্কৃতিক প্ৰতিনিধিত্ব কৰিব পৰাকৈ এলিজাবেথ আৰু বেবী ৰখা হৈছে। ঘৰৰপৰা ওলাই যাওঁতে তাইৰ স'তে ধেমালি কৰা বা ঘৰত থকাৰ পৰতো তাইক লৈ ব্যস্ত হৈ থকা দেখা যায়। জীয়েকক ইংৰাজী শিকোৱাৰ ক্ষেত্ৰতো ফ্ৰেজাৰ অধিক আগ্ৰহী। বিলাতৰপৰা জীয়েকৰ বাবে ৰং-বিৰঙৰ ছবি থকা বৰ্ণমালাৰ কিতাপ, ইংৰাজী ভাষাত লিখা সাধুকথাৰ দুখন কিতাপ মগাই আনিছে। সৰুপুত্ৰ কুশৰ মনত এই বিষয়ে প্ৰশ্ন উত্থাপন নোহোৱাকৈ থকা নাই—

"বেবীৰ সোণৰ দৰে চুলি আৰু আকাশৰ দৰে নীলা চকু আছে কাৰণে পাপাই তাইক আমাতকৈ বেছি মৰম কৰে নেকি মা ?" (*দুৰ্গী*, পৃ.৮৭)

ৰক্ষিতাৰ সৈতে সম্পৰ্কৰ ফলস্বৰূপে জন্মগ্ৰহণ কৰা শিশুৰ ইউৰোপীয় শব্দৰে নামকৰণ কৰাতহে গুৰুত্ব দিয়া হৈছিল। লগতে মিছনৰ অধীনত শিক্ষাগ্ৰহণৰ বাবে চাহাবসকল অধিক উৎসাহী হৈছিল। স্বাভাৱিকতে স্বামীৰ মৃত্যু বা তেওঁৰ সৈতে হোৱা বিচ্ছেদৰ পাছত নাৰীসকল অসহায় হৈ উঠিছিল। নিঃসংগ জীৱন কটাবলৈ বাধ্য হোৱা এনে নাৰীয়ে সহজতেই মানসিক ভাৰসাম্য হেৰুৱাইছিল বা কেতিয়াবা অকালতে মৃত্যুক সাবটি লৈছিল। ফ্ৰেজাৰ অসমৰ বাগানৰ সেউজী শোভাৰ মাজতে বাগানৰ প্ৰধান চালিকাশক্তি আদিবাসী মজদুৰসকলক অমানৱীয় ব্যৱহাৰ কৰা দেখি স্তম্ভিত আৰু লজ্জিত হৈ পৰিছিল আৰু পৰৱৰ্তী কালত আন ইউৰোপীয়সকলৰ দৰে তেঁৰো ভাবিবলৈ বাধ্য হৈছিল যে সুসভ্য ইংৰাজ জাতিয়ে কৃষ্ণবৰ্ণৰ বৰ্বৰ মানুহবোৰক সভ্য কৰিবলৈহে অসমলৈ আহিছে।

**২.০ উপসংহাৰ ঃ**

সামগ্ৰিকভাৱে ক'ব পাৰি যে ঐতিহাসিক তথ্যৰ আধাৰত দুৰ্গী উপন্যাসখনত ঔপনিৱেশকালীন অসমৰ চাহ বাগিচাৰ দুগৰাকী শ্বহীদ মাংৰী ওৰাং আৰু দুৰ্গী ভূমিজৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ প্ৰসংগৰ উপস্থাপন কৰা হৈছে। ইংৰাজ উপনিৱেশকসকলৰ শোষণ কেৱল তেওঁলোকৰ ওপৰতেই সীমাবদ্ধ হৈ থকা নাই , বৰং সতি-সন্ততিলৈকে ইয়াৰ প্ৰভাৱ অনুভূত হয়। ঔপন্যাসিকে ইয়াৰ কাৰক হিচাপে উপনিৱেশকৰ জাতিগত বা বৰ্ণ বিভাজনৰ বাগধাৰাক (Discourse) চিহ্নিত কৰিছে। ইয়াৰ উপৰি উপন্যাসখনৰ আধাৰত এই আলোচনাৰপৰা নিম্নলিখিত দিশবোৰৰ বিষয়ে আভাস পাব পাৰি—

— ঔপনিৱেশিক প্ৰব্ৰজনৰ পৰিণতিত মহিলাৰ পৰিৱৰ্তিত জীৱন।

— উপনিৱেশকৰ শোষণ হিচাপে বৰ্ণবৈষম্যমূলক মানসিকতা আৰু তাৰ কুফল।

— উপনিৱেশকৰ বিকৃত যৌনলিপ্সাৰ উপস্থাপন।

—উপনিৱেশিত পুৰুষতন্ত্ৰই নাৰীৰ অধিকাৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কৰা ক্ষমতাৰ প্ৰয়োগ।

**প্ৰসংগ-সূত্ৰ ঃ**

১. ওচমান গনি আৰু দেৱব্ৰত শৰ্মা , *বৃতিচ বিৰোধী মহান চহিদ আদিবাসী মহিলা দুৰ্গী ভূমিজ* , পৃ. ১-৪

২. Amalendu Guha, *Planter-Raj to Swaraj Freedom Struggle And Electoral Politics in Assam*

*1826-1947,* p.18

৩. P K Nayar , *Post Colonialism : A Guide for The Perplexed,* p. 25-26

৪ . সুশীল কুৰ্মী, 'মাংৰি ওৰাওঁৰ জীৱন ধাৰা', দেৱব্ৰত শৰ্মা (সম্পা. আৰু সংক.), *বৃতিচ-বিৰোধী চহিদ , আদিবাসী কন্যা, মহীয়সী মুক্তিযোদ্ধা মাংৰি ওৰাং* ,পৃ. ৪৫

৫. ডিম্বেশ্বৰ তাছা, 'অসমৰ প্ৰথম মহিলা চহিদ মাংৰী ওৰাওঁ', দেৱব্ৰত শৰ্মা (সম্পা. আৰু সংক.),উল্লিখিত, পৃ. ৫৭

৬. শৰ্মা, দেৱব্ৰত, *অসমৰ আদিবাসী স্বাধীনতা সংগ্ৰামী অৰ্জুন ঘাটোৱাৰ* ,পৃ. ১৪-১৫

৭. Durba Ghosh, *Sex and Family in Colonial India ,* p. 3

৮. হিমাদ্ৰী লাহিড়ী, ' ঔপনিবেশিকতাবাদ ও উত্তৰ-ঔপনিবেশিকতাবাদ', নৰেন্দু সেন, (সম্পা.), *পাশ্চাত্য সাহিত্যতত্ত্ব ও সাহিত্যভাবনা,* পৃ.৬২২

৯ . Durba Ghosh, op.cit., p. 25

১০. Ibid , p. 21

১১. সুশীল কুৰ্মী, 'প্ৰথম সংস্কৰণৰ আগকথা', দেৱব্ৰত শৰ্মা (সম্পা. আৰু সংক.), পূৰ্বোল্লিখিত , পৃ. ৩৩

১২. সুশীল কুৰ্মী, 'মাংৰি ওৰাওঁৰ জীৱন ধাৰা', দেৱব্ৰত শৰ্মা (সম্পা. আৰু সংক.),উল্লিখিত , পৃ. ৪৪-৪৫

১৩. ওচমান গনি আৰু দেৱব্ৰত শৰ্মা, পূৰ্বোল্লিখিত, পৃ. ২-৩

**গ্ৰন্থপঞ্জী ঃ**

**মূল গ্ৰন্থ ঃ**

গোস্বামী, আৰাধনা পটংগীয়া, *দুৰ্গী,* জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ , জুলাই, ২০২১

**সহায়ক গ্ৰন্থ ঃ**

ওজা, অঞ্জন কুমাৰ (সম্পা.),*সাহিত্য-সমালোচনা-তত্ত্ব* , উত্তৰ লখিমপুৰ, নৰ্থ লখিমপুৰ কলেজ প্ৰকাশন সমিতি , দ্বিতীয় পৰিৱৰ্ধিত প্ৰকাশ, ২০১৩

কুৰ্মী, গণেশ চন্দ্ৰ, *অসমৰ চাহ জনগোষ্ঠী ঃ নৃগোষ্ঠীগত আৰু সামাজিক পৰিচয়,* পশ্চিম মিলন নগৰ, ডিব্ৰুগড়, প্ৰকাশক- আলেয়া কুৰ্মী, প্ৰথম প্ৰকাশ, জুলাই, ২০১১

গনি, ওচমান আৰু দেৱব্ৰত শৰ্মা , *বৃতিচ বিৰোধী মহান চহিদ আদিবাসী মহিলা দুৰ্গী ভুমিজ* , যোৰহাট , একলব্য প্ৰকাশন, দ্বিতীয় সংস্কৰণ , ১২ মে' ২০১৯

তামুলী, লক্ষ্মীনাথ, *ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান ঃ সংঘাত আৰু সহযোগিতাৰ ইতিহাস,* গুৱাহাটী- ৭৮১০০১, জ্যোতি প্ৰকাশন, চতুৰ্থ সংস্কৰণ, জানুৱাৰী, ২০১৭

বৰা, ধনী ,*বিদায় আধুনিকতাবাদ,* গুৱাহাটী, আঁক-বাক ,দ্বিতীয় প্ৰকাশ, ২০১৬

বেজবৰা, নীৰাজনা মহন্ত, *তুলনামূলক সাহিত্য ঃ কি, কিয়, কেনেকৈ* , ডিব্ৰুগড়, বনলতা, প্ৰথম প্ৰকাশ, আগষ্ট, ২০১৯

— — , *সাহিত্যৰ সমাজতত্ত্ব ঃ সিদ্ধান্ত আৰু প্ৰয়োগ,* ডিব্ৰুগড়, বনলতা, প্ৰথম প্ৰকাশ, ২০১৪

শৰ্মা, দেৱব্ৰত (সম্পা.) , *অসমৰ আদিবাসী স্বাধীনতা সংগ্ৰামী অৰ্জুন ঘাটোৱাৰ,* যোৰহাট, একলব্য প্ৰকাশন, প্ৰথম প্ৰকাশ, ২০১৯

শৰ্মা, দেৱব্ৰত (সম্পা. আৰু সংক.), *বৃতিচ-বিৰোধী চহিদ, আদিবাসী কন্যা মহীয়সী মুক্তিযোদ্ধা মাংৰি ওৰাং,* যোৰহাট , একলব্য প্ৰকাশন